# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

---

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত ৪০ জনীয়া ভকত-বৈষ্ণৱৰ এটা দল আজি প্ৰয়াগৰাজৰ মহাকুম্ভ মেলালৈ ৰাওনা হৈছে। এই উপলক্ষ্যে আজি পুৱা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা উলিওৱা ভাগৱত শোভাযাত্ৰাত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই অংশগ্ৰহণ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি উলিয়াইছে। একেদৰে কামাখ্যা মন্দিৰৰ এটি আৰ্হিও নিৰ্মাণ কৰা হৈছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব। দলটো পৰহিলৈ প্ৰয়াগৰাজত উপস্থিত হ'ব।

০০০০০

শিক্ষা বিভাগে প্ৰাদেশীকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা কাইলৈ অনুষ্ঠিত কৰিব। কাইলৈ দুয়োবেলা দুটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাত স্নাতক পৰ্যায়ত ৩৯ হাজাৰ ২২৪ গৰাকী প্ৰাৰ্থী আৰু স্নাতকোত্তৰ পৰ্যায়ত ৩০ হাজাৰ ৩৫৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। টেট পৰীক্ষাৰ সময়ছোৱাত শান্তিশৃংখলা অটুট ৰখাৰ বাবে বিভিন্ন জিলাত কেতবোৰ নিৰ্দেশনা জাৰি কৰা হৈছে। জিলাসমূহত জাৰি কৰা নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ সৈতে জড়িত কৰ্তৃপক্ষৰ বাহিৰে আন ব্যক্তিৰ উপস্থিতি নিষিদ্ধ কৰা হৈছে। তদুপৰি পৰীক্ষাকেন্দ্ৰৰ চাৰিওফালে বাহন ৰখাৰ ব্যৱস্থা সীমিত কৰা হৈছে। পৰীক্ষা কেন্দ্ৰলৈ ম'বাইল ফোন, কেলকুলেটৰ, স্মাৰ্ট হাতঘড়ী, ব্লুটুথ আদি ইলেকট্ৰনিক সঁজুলি অনাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০

যোৱা ১৫ জানুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা শিৱসাগৰ জিলাৰ বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আজি সামৰণি পৰে। বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই মহাৰজত জয়ন্তীৰ আজি অন্তিম দিনা বিদ্যালয়খনৰ চৌহদৰ পৰা এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰা উদ্বোধন কৰি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে শিক্ষানুষ্ঠানখনৰ উজ্বল ভৱিষ্যত কামনা কৰাৰ লগতে অনাগত দিনত সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। শোভাযাত্ৰাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজেও অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে হুঁচৰি পৰিৱেশন কৰে। উল্লেখযোগ্য যে ১৯৪৯ চনতে প্ৰতিষ্ঠা লাভ কৰা বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে সমগ্ৰ অঞ্চলতে সুস্থ

শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ লগতে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বহুকেইজন খেলুৱৈক গঢ় দি এখন অগ্ৰণী শিক্ষানুষ্ঠান ৰূপে নিজৰ এটা সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে।

০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ' আৰক্ষী থানাৰ অধীনৰ ১৯ কিলোমিটাৰ এলেকাৰ সমীপত আজি পুৱা এটা শোকাৱহ স্কুলবাছ দুৰ্ঘটনা সংঘটিত হয়। এটা চৰকাৰী বিবৃতিযোগে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ক্ষেত্ৰ বিষয়াই জনাইছে যে এই দুৰ্ঘটনাত এগৰাকী ছাত্ৰীয়ে প্ৰাণ হেৰুৱাৰ লগতে ৬ গৰাকী ছাত্ৰ-ছাত্ৰী গুৰুতৰভাবে আহত হৈছে। আহত ছাত্ৰ-ছাত্ৰী সকলক জৰুৰীকালীন চিকিৎসাৰ বাবে হোজাই হাম চিকিৎসালয়লৈ লৈ যোৱা হয়। নিহত ছাত্ৰীগৰাকী ১০ বছৰীয়া দালিমাৰ ৰংহাংপি বুলি চিনাক্ত কৰা হৈছে। আনহাতে আহত ছাত্ৰ-ছাত্ৰীসকল হ'ল আৰ্কলিংছন হাঞ্চে, ফেলিহা চিংথংপি, সৰমুকৰং তেৰাং, দিব্যা ৰংহাংপি, ৰুপলিন ইংতিপি আৰু মালিন তেৰনপি। ইয়াৰ লগতে চৰকাৰী বিবৃতি অনুসৰি সামান্যভাৱে আহত আন ১৬ জন ছাত্ৰ-ছাত্ৰীক আৰক্ষীৰ লগতে এটা জৰুৰীকালীন সঁহাৰি দলে প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰে। দুৰ্ঘটনাৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও সম্পূৰ্ণ তদন্ত চলাই থকা হৈছে বুলি জিলাখনৰ প্ৰশাসনে জানিবলৈ দিছে। ঘটনাটোৱে সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পেলাইছে।

০০০০০

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যত বন বিভাগ তথা প্ৰকৃতি প্ৰেমী সংগঠন আৰণ্যক আৰু আন কেইবাটাও বেচৰকাৰী সংস্থাৰ সহযোগত আজি জলচৰ পক্ষী গণনা কাৰ্যসূচী সম্পাদন কৰা হয়। ২০২৩-২৪ বৰ্ষত ৫৬টা প্ৰজাতিৰ প্ৰায় ৮ হাজাৰ পক্ষীৰ তুলনাত এইবাৰ প্ৰায় ১০ হাজাৰ প্ৰজাতিৰ পক্ষী আছে বুলি গণনাকাৰীসকলে প্ৰকাশ কৰিছে। অভয়াৰণ্যখনত পক্ষীৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে কেইবাটাও নতুন প্ৰজাতিৰ চৰাই দেখিবলৈ পোৱা গৈছে বুলি পবিতৰা অভয়াৰণ্যৰ বন আঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱাই জানিবলৈ দিয়ে।

০০০০০

অহা ১৯ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'বলগীয়া চেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতাৰ বাবে ভাৰতীয় ক্ৰিকেট দলৰ খেলুৱৈসকলৰ নাম ঘোষণা কৰা হৈছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ১৫ জনীয়া এই দলটোত সুভমন গীল, যশস্বী জয়ছোৱাল, বিৰাট কোহলী, কে এল ৰাহুল, ঋষভ পণ্ট, হাৰ্ডিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পাটেল, ৱাশ্বিংটন সুন্দৰ, যশপ্ৰীত বুমৰা, মহম্মদ ছামী, আশদ্বীপ সিং আৰু কুলদীপ যাদৱে স্থান লাভ কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় ক্ৰিকেট দলে পাকিস্তানত অনুষ্ঠিত কোনো খেলত অংশগ্ৰহণ নকৰিবলৈ লোৱা সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত দলটোৱে খেলিবলগীয়া প্ৰতিখন খেল ডুবাইৰ আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত